**অসম বিধান সভা**

**তৰাচিহ্নিত প্ৰশ্ন নং -৩৯**

**উত্তৰ দানৰ তাৰিখ-০৭/০৭/২০২৬**

**বিষয়: ডিগবৈক পৰ্য্যটন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ সম্পৰ্কে ।**

**শ্ৰী সুৰেণ ফুকন, বিধায়ক**

**::প্ৰশ্ন::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) ডিগবৈ সমষ্টিৰ অন্তৰ্গত উজনি অসমৰে এক উল্লেখযোগ্য পৰ্য্যটনক্ষেত্ৰ নাজিৰাটিং তামুলী পৰ্য্যটনক্ষেত্ৰ পৰ্য্যটনৰ বিকাশৰ বাবে যথেষ্ট স্থল আছে। ইয়াৰ কাষেৰে বৈ যোৱা ডিব্ৰ নৈক কেন্দ্ৰ কৰি নদী পৰ্য্যটনৰ যথেষ্ট সম্ভাৱনা আছে, এই ক্ষেত্ৰত বিভাগে কিবা পৰিকল্পনা হাতত লৈছে নেকি ?

**:: উত্তৰ ::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে উত্তৰ দিব:-**

(ক) ডিগবৈ সমষ্টিৰ অন্তৰ্গত অসমৰে এক উল্লেখযোগ্য পৰ্য্যটন ক্ষেত্ৰ নাজিৰাটিং তামুলী পৰ্য্যটনক্ষেত্ৰক পৰ্য্যটনৰ বিকাশৰ বাবে বৰ্তমান কোনো পৰিকল্পনা হাতত লোৱা নাই যদিও ডিব্ৰ নৈক কেন্দ্ৰ কৰি তিনিচুকীয়া জিলাৰ ডিব্ৰ-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ সমীপত অসম পৰ্য্যটন বিভাগে কেন্দ্ৰীয় চৰকাৰৰ অৰ্থসাহাৰ্য্যত স্বদেশ দৰ্শন আঁচনিৰ অধীনত ‘লগ হাট’, পৰ্য্যটন তথ্যকেন্দ্ৰ, ‘কাফেটেৰিয়া’, নিৰীক্ষণ স্তম্ভ আদি নিৰ্মাণ কৰে।

********

The reply has been submitted in the NeVA Portal of Assam Legislative Assembly